জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৮৯/২০২০

## <u>বীৰ শ্বহীদ হৰধন চন্দ্ৰ ৰায়ৰ বাসগৃহলৈ গৈ শ্বহীদগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# শ্বহীদগৰাকীৰ পৰিয়ালক ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জম্মু-কাশ্মীৰৰ ভাৰত-পাক সীমান্তত নিহত হোৱা বীৰ শ্বহীদ হৰধন চন্দ্ৰ ৰায়ৰ ধুবুৰী জিলাৰ ফুটুকীবাৰীৰ মেধিপাৰাস্থিত বাসগৃহলৈ গৈ শ্বহীদগৰাকীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিৱেদন কৰে। মুখ্যমন্ত্ৰীয়ে বীৰ শ্বহীদগৰাকীৰ পত্নীৰ হাতত ৰাজ্য চৰকাৰে আগবঢ়োৱা ২০ লাখ টকাৰ এককালীন সাহায্যৰ চেকো প্ৰদান কৰে।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ বৃহত্তৰ স্বাৰ্থত বীৰ শ্বহীদ হৰধন চন্দ্ৰ ৰায়ে আত্মবলিদান দিলে। সমগ্ৰ ভাৰতবাসীৰ লগতে অসমবাসী আজি এই শ্বহীদগৰাকীৰ বাবে গৌৰৱান্বিত। ত্যাগ আৰু বীৰত্বৰ শক্তিশালী আদৰ্শ প্ৰতিষ্ঠা কৰি যোৱা শ্বহীদগৰাকী সদায়ে অমৰ হৈ থাকিব বুলি তেওঁ কয়। শ্বহীদগৰাকীৰ আদৰ্শৰে আমাৰ নতুন প্ৰজন্মই দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ বাবে কাম কৰি যাবলৈ প্ৰেৰণা লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে বীৰ শ্বহীদগৰাকীৰ পৰিয়ালৰ লোকক সংস্থাপন দিয়াৰ দিশতো ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব।

শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ সময়ত বিধায়কদ্বয় অশোক কুমাৰ সিংঘী আৰু অশ্বিনী ৰায় সৰকাৰ, জিলা উপায়ুক্ত তথা আৰক্ষী অধীক্ষকৰ লগতে প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৫/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in